**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 03-01-2026

**Time :** 1845 Hrs.

***Assamese Midday Bulletin***
**HEADLINE**

০০০০০

১। ৰাজ্যত উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰীৰ দৃঢ় মন্তব্য।

২। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত ৭ জন অভিযুক্তৰ বিৰুদ্ধে আজি তৃতীয়টো শুনানি গ্ৰহণ। অহা ১৭ জানুৱাৰীত পৰৱৰ্তী শুনানি।

৩। কেন্দ্ৰীয় ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ গুৱাহাটী আৰু কলকাতাৰ মাজত চলিবলগীয়া দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ী পৰিদৰ্শন।

৪। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ আজি ধেমাজীত বানৰ ক্ষয়- ক্ষতিৰ সম্পৰ্কত আলোচনা। ***আৰু***

৫। উইলোমোৰ পাৰ্কত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ ৩ খনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতৰ-দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩০১ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০

ৰাজ্যত উচ্ছেদ অভিযান নিৰন্তৰ চলি থাকিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। গোৱালপাৰা জিলাৰ দুধনৈত আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত দুধনৈ বিধানসভা সমষ্টিৰ ২৮ হাজাৰ ৯৩ গৰাকী মহিলাৰ মাজত ১০ হাজাৰ টকাকৈ প্ৰাৰম্ভিক মূলধনৰ চেক প্ৰদান কৰাৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে ৰাজ্যত কমেও ১২ লাখ বিঘা দখলিকৃত ভূমি আছে। এই ভূমি পৰ্যায়ক্ৰমে দখলমুক্ত কৰা হ'ব বুলি ড° শৰ্মাই জানিবলৈ দিয়ে।

**বাইট**

মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে অনুপ্ৰবেশকাৰীক চিনাক্ত কৰি দেশৰ পৰা বহিস্কাৰ কৰা কাৰ্যও চলি থাকিব মন্তব্য কৰে।

ইপিনে, হোজাই জিলাৰ ডবকাৰ যমুনা-মৌদংগা সংৰক্ষিত বনাঞ্চলৰ প্ৰায় ছহেজাৰ বিঘা ভূমিত প্ৰশাসনৰ উচ্ছেদ আজি দ্বিতীয় দিনাও অব্যাহত আছে। এই অভিযানৰ জৰিয়তে অঞ্চলটোত ৩০-৪০ বছৰ ধৰি অবৈধভাৱে বাস কৰি থকা এহেজাৰ ২৫০ টা পৰিয়ালৰ ভিতৰত এহেজাৰ ৯৮টা পৰিয়ালক উচ্ছেদ কৰাৰ লক্ষ্য লোৱা হৈছে। বন বিভাগে বনাঞ্চলখনত জৰীপ চলাই কেইবাহাজাৰ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলত

থকাৰ তথ্য লাভ কৰাৰ পাছত এহেজাৰ ২০০ৰো অধিক দখলকাৰীলৈ জাননী প্ৰেৰণ কৰিছিল। ইয়াৰে ১৫০টা পৰিয়ালে সকাহ বিচাৰি উচ্চ ন্যায়ালয়ৰ কাষ চপাত সাময়িকভাৱে এই পৰিয়ালকেইটাৰ ভূমিত উচ্ছেদ স্থগিত ৰখা হৈছে। উচ্ছেদথলীত যাতে কোনোধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে কেইবাশ আৰক্ষী আৰু চি আৰ পি এফৰ জোৱান নিয়োগ কৰা হৈছে।

ooooo

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি ৭ জন অভিযুক্তৰ বিৰুদ্ধে কামৰূপ মহানগৰ জিলা ছেছন ন্যায়াধীশৰ আদালতত তৃতীয়টো শুনানী গ্ৰহণ কৰা হয়। শুনানী কালত কাৰাৰুদ্ধ ৭ গৰাকী অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা, পৰেশ বৈশ্য, শেখৰজ্যোতি গোস্বামী আৰু অমৃতপ্ৰভা মহন্তৰ ভাৰ্চুৱেল ব্যৱস্থাৰে শুনানী গ্ৰহণ কৰে। অভিযুক্তকেইজনৰ হৈ তেওঁলোকৰ অধিবক্তাই জামিন আৱেদন দাখিল কৰে। অমৃতপ্ৰভা মহন্তৰ লগতে শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা আৰু শেখৰজ্যোতি গোস্বামীয়ে নিজাববীয়াকৈ অধিবক্তা লাভ কৰিছে। সন্দীপন গাৰ্গ, নন্দেশ্বৰ বৰা আৰু পৰেশ বৈশ্যৰ হৈ আইন সেৱা প্ৰাধিকাৰীয়ে নিয়োগ কৰা অধিবক্তাই জামিন আবেদন দাখিল কৰে। অৱশ্যে ন্যায়ালয়ে এই আবেদন সন্দৰ্ভত ৰায়দান সংৰক্ষিত ৰাখে। ১৭ জানুৱাৰীত এই আবেদন সন্দৰ্ভত শুনানী গ্ৰহণ কৰা হ'ব আৰু চৰকাৰী পক্ষৰ অধিবক্তাই সেইদিনাই এই জামিন আবেদনৰ বিৰুদ্ধে আপত্তি দৰ্শাব। এই শুনানীতে অভিযুক্তসকলৰ বিচাৰৰ ধাৰা নিশ্চিত কৰা হ'ব। উল্লেখযোগ্য যে, আটাইকেইগৰাকী অভিযুক্তই এই গোচৰৰ বাবে অধিবক্তা লাভ কৰিছে। আজি এই শুনানী কালত উপস্থিত থকা জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গে শুনানীৰ অন্তত চৰকাৰী লোক অধিবক্তাগৰাকীক সহায়ৰ বাবে নিজাববীয়াকৈ প্ৰদীপ্ত তালুকদাৰ নামৰ এজন অধিবক্তাক নিয়োগৰ অনুমতি বিচাৰি আবেদন দাখিল কৰে। আদালতে এই আবেদন গ্ৰহণ কৰি অধিবক্তাগৰাকীক নিয়োগৰ বাবে অনুমতি দিয়ে। শ্ৰীমতী গাৰ্গে শুনানীৰ পাছত এই বিচাৰ প্ৰক্ৰিয়া ক্ষীপ্ৰ কৰাৰ লগতে দোষীক উচিত শাস্তি প্ৰদানৰ বাবে বিশেষ আদালতত বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ ৰাজ্য চৰকাৰক আহ্বান জনাইছে বুলি সাংবাদিকৰ আগত প্ৰকাশ কৰে।

-বাইট-

ইপিনে, সদৌ অসম উকীল সন্থায়ো এই গোচৰৰ বিচাৰ ফাষ্ট ট্ৰেক আদালতৰ জৰিয়তে কৰাৰ লগতে কমেও ১০-১২ জন অধিবক্তাৰ এটা দল গঠন কৰি এই বৃহৎ অভিযোগনামা দাখিল হোৱা গোচৰটোৰ বিচাৰ প্ৰক্ৰিয়া সুচলভাৱে কৰিবলৈ আহ্বান জনাইছে। এই সন্দৰ্ভত অধিবক্তা অপূৰ্ব কুমাৰ শৰ্মাই এইদৰে কয় -

-বাইট-

ooooo

বিহু আৰু ঝুমুৰৰ পাছত অহা ১৭ জানুৱাৰীত গুৱাহাটীত প্ৰায় ১০ হাজাৰ শিল্পীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ উপস্থিতিত বাগুৰুম্বা প্ৰদৰ্শন কৰিব। অসমৰ অন্যতম প্ৰধান জনগোষ্ঠী বড়োসকলৰ লোকনৃত্য বাগুৰুম্বাক বিশ্বৰ প্ৰেক্ষাপটলৈ নিয়াৰ লক্ষ্যৰে অসম চৰকাৰে গুৱাহাটী সৰুসঁজাই ষ্টেডিয়ামত এই অভিলাষী আয়োজন কৰিছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেন্সত অংশগ্ৰহণ কৰি বাগুৰুম্বাৰ অনুশীলনৰ বুজ লয়।

ooooo

কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি দেশৰ প্ৰথমখন বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ী পৰিদৰ্শন কৰে। শ্ৰীবৈষ্ণৱে সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কয়, যে ৰে'লখন দূৰণিবটীয়া আৰু নৈশ যাত্ৰাৰ উপযোগীকৈ নিৰ্মাণ কৰি উলিওৱা হৈছে। তেওঁ লগতে কয়, যে গুৱাহাটী আৰু ক'লকাতাৰ মাজত চলিবলগীয়া সম্পূৰ্ণৰূপে শীত-তাপ নিয়ন্ত্ৰিত এই ৰে'লগাড়ীখনৰ যাত্ৰা এই মাহৰ মাজভাগত শুভাৰম্ভ কৰা হ'ব। এই ৰে'লসেৱা ভাৰতীয় ৰে'ল বিভাগে দূৰণিবটীয়া যাত্ৰাৰ ক্ষেত্ৰত লোৱা গুৰুত্বপূৰ্ণ সংস্কাৰৰ প্ৰতীক বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীবৈষ্ণৱে কয়, যে বন্দে ভাৰত শ্লীপাৰ ৰে'লগাড়ীখন দ্ৰুত, আৰামদায়ক যাত্ৰা আৰু অত্যাধুনিক সুৰক্ষা ব্যৱস্থাৰে সুসজ্জিত। ৰে'লগাড়ীখনত আৰামদায়ক শ্লীপাৰ বাৰ্থ, স্বয়ংক্ৰিয় দুৱাৰ আৰু আধুনিক শৌচালয়সহ অত্যাধুনিক যাত্ৰী সুবিধা আছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

-বাইট (অশ্বিনী বৈষ্ণৱ)-

উল্লেখযোগ্য যে ২০২৩ চনত প্ৰৱৰ্তন কৰা বন্দে ভাৰত ৰে'ল সেৱা এতিয়ালৈকে দিনৰ ভাগতহে চলাচল কৰিছিল। ৰে'ল মন্ত্ৰালয়ে ইতিমধ্যে নিশাৰ ভাগত চলাচল কৰিব পৰা বন্দে ভাৰত শ্লীপাৰ সেৱাৰ স্পীড ট্ৰায়েল সম্পন্ন কৰিছে আৰু এই ট্ৰায়েলত ৰে'লগাড়ীখনে ঘণ্টাৰ সৰ্বাধিক ১৮০ কিলোমিটাৰৰ গতিবেগ অতিক্ৰম কৰিছে।

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত চলি থকা অসম গ্ৰন্থ মেলাৰ আজি একাদশ দিনা মহিলাসকলৰ ভিন্ন সুৰী কাৰ্য্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে বিয়লি ৩ বজাৰ পৰা বহুভাষিক কবি সন্মিলন অনুষ্ঠিত হয়। অপৰাজিতা পূজাৰীয়ে সঞ্চালনা কৰা এই অনুষ্ঠানত হায়দৰাবাদৰ বিশিষ্ট কবি ৰমেশ কাৰ্তিক আৰু উত্তৰ প্ৰদেশ আগশাৰীৰ কবি গৌৰৱ পাণ্ডে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে। বিয়লি ৫ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

০০০০০

শিক্ষা, ভৈয়াম জনজাতি আৰু পিচপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলা প্ৰশাসন আৰু পঞ্চায়ত প্ৰতিনিধিসকলৰ সৈতে মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ উদ্যোগত অহা ৭ জানুৱাৰীত ধেমাজিত হ'বলগীয়া প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীয়ে সেইদিনা সমষ্টিটোৰ ৩২ হাজাৰৰো অধিক উদ্যমী মহিলাৰ মাজত আঁচনিখনৰ অধীনত চেক বিতৰণ কৰিব।

মন্ত্ৰীগৰাকীয়ে আজি ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত জয়ৰামপুৰ গাঁও পঞ্চায়তৰ ২ নম্বৰ বৈজন্তীপুৰ ৱাৰ্ডৰ ৰাইজৰ সৈতে অঞ্চলটোৰ বান সমস্যা সম্পৰ্কে আলোচনা কৰে। প্ৰতি বছৰে এই অঞ্চলটোত চিলনী, গেৰমেৰ আৰু তৰাজান নৈৰ বাঢ়নী পানীয়ে কৰা ক্ষয়-ক্ষতি সম্পৰ্কে মন্ত্ৰীগৰাকীয়ে বুজ লয়। মন্ত্ৰীগৰাকীয়ে লোক-নিৰ্মাণ পথ বিভাগৰ লগতে অন্যান্য বিভাগীয় বিষয়াসকলৰ সৈতে বানৰ পাছত হোৱা আন্তঃগাঁথনিৰ ক্ষয়-ক্ষতি পূৰণৰ বিষয়ে আলোচনা কৰে।

ডাঃ পেগুৱে আজি ধেমাজি জিলাৰ গোগামুখত এইচ ডি এফ চি বেংকৰ কোম্পানী সামাজিক দায়বদ্ধতা আঁচনিৰ অধীনত গোগামুখ চিকিৎসালয় উন্নীতকৰণ প্ৰকল্পৰ উদ্বোধন কৰে। এই উপলক্ষে মন্ত্ৰীগৰাকীয়ে কয়,

যে এই প্ৰকল্পই অঞ্চলটোৰ প্ৰাথমিক আৰু সমূহীয়া স্বাস্থ্য ব্যৱস্থা সুদৃঢ় কৰিব। তেওঁ লগতে অঞ্চলটোৰ জনস্বাস্থ্যৰ উন্নয়ন আৰু মানৱ কল্যাণৰ দিশত অমূল্য অৱদান আগবঢ়োৱাৰ বাবে গ্ৰাম্য উন্নয়ন ন্যাস আৰু এইচ ডি এফ চি বেংকক ধন্যবাদ জ্ঞাপন কৰে।

00000

আকাশবাণী গুৱাহাটীৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ডঃ সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী ৰুণুমী মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

00000

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত প্ৰচাৰিত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আইৰ সচিব দেৱজিৎ শইকীয়াৰ সৈতে হোৱা সাক্ষাৎকাৰটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব। উদীয়মান খেলুৱৈৰ প্ৰশিক্ষণ বিষয়ক সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ মঙলদৈ জিলাৰ সংবাদদাতা ময়ুখ গোস্বামীয়ে।

00000

খাদ্য আৰু ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা মন্ত্ৰী কৌশিক ৰায়ে আজি কাচাৰ জিলাৰ দেৱান চাহ বাগিচাত স্বাস্থ্যৱান শ্ৰমিক যোজনা নামৰ এটা পৰীক্ষামূলক প্ৰকল্প উদ্বোধন কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয়, যে এই প্ৰকল্পৰ জৰিয়তে চাহ শ্ৰমিকসকলৰ স্বাস্থ্য সুবিধা, সজাগতা আৰু কল্যাণ সুনিশ্চিত কৰাৰ বাবে বিশেষ পদক্ষেপ লোৱা হৈছে।

-বাইট (কৌশিক ৰয়)-

এই যোজনাৰ অধীনত উচ্চ ৰক্তচাপ আৰু ডায়বেটিছকে ধৰি অসংক্ৰামক ৰোগৰ পৰীক্ষা চিকিৎসা, বয়স নিৰ্বিষেশে ৰক্তাল্পতা আৰু পুষ্টিহীনতাৰ নিদান, যক্ষ্মা আৰু কুষ্ঠ ৰোগৰ চিকিৎসা আৰু ড্ৰাগছ তথা মাদক দ্ৰব্য সেৱনৰ ক্ষতিকাৰক প্ৰভাৱৰ বিষয়ে সজাগতা সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। উল্লেখযোগ্য যে, চাহ শ্ৰমিকৰ স্বাস্থ্য সুৰক্ষা আৰু কল্যাণ নিশ্চিত কৰাৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে ৰাজ্যৰ ৮০০ খন চাহ বাগিচাৰ ভিতৰত বচা বচা ২০ খন বাগিছাত এই প্ৰকল্প আৰম্ভ কৰা হৈছে।

00000

বাক্সা জিলাৰ সদৰ মুছলপুৰত ৫ দিনীয়া কাৰ্য্যসূচীৰে অনুষ্ঠিত স্বদেশী মেলাৰ আজি সন্ধিয়া সামৰণি পৰিব। ৰাজ্য চৰকাৰৰ উদ্যোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ সৌজন্যত আৰু সদৌ অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম লিমিটেড তথা জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সহযোগত অনুষ্ঠিত এই মেলাত ৫০ খন বিপণীয়ে অংশগ্ৰহণ কৰিছে। মেলাত বিভিন্ন থলুৱা খাদ্য সম্ভাৰ, পৰম্পৰাগত সাজ-পাৰ আদি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰ লগতে বাঁহ-বেতৰ সামগ্ৰীৰ বিপণীও মুকলি কৰা হৈছে।

00000

কামৰূপৰ জিলা পৰিকল্পনা সমিতিৰ এখন সভা আজি জিলাৰ সংহত আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত হয়। কামৰূপ জিলা পৰিষদৰ অধ্যক্ষ নিপন ভূঞাৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত পঞ্চদশ বিত্ত আয়োগৰ অধীনত

২০২৪-২৫ বৰ্ষৰ আঁচনিসমূহ চূড়ান্ত কৰা হয়। সভাত দৰং, ওদালগুৰি লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, জিলা মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, জিলা উন্নয়ন আয়ুক্ত সুশান্ত দত্তৰ লগতে কামৰূপ জিলা পৰিষদৰ সদস্য, সদস্যা আৰু আঞ্চলিক পঞ্চায়তৰ সভাপতিসকল উপস্থিত থাকে।

০০০০০

নগাঁও আৰক্ষীয়ে আজি পুৱা গোপন সূত্ৰৰ পম খেদি কাটিমাৰি গ্ৰাণ্টত অভিযান চলাই বুজন পৰিমাণৰ ভাংসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। ধৃত সৰবৰাহকাৰী দুজন কাটিমাৰী গ্ৰাণ্টৰ আব্দুল দুলাল আৰু ছেলিমা বেগম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে তেওঁলোকৰ জিম্মাৰ পৰা আঢ়ৈ কিলোগ্ৰাম ভাং জব্দ কৰে। আৰক্ষীয়ে অধিক তথ্যৰ বাবে ধৃত লোক দুজনক জেৰা কৰি আছে।

০০০০০

সমাগত বিধানসভা নিৰ্বাচন সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ উদ্দেশ্যে তামুলপুৰ জিলা প্ৰশাসনে বিভিন্ন কাৰ্যসূচী হাতত লৈছে। নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি জিলাখনৰ দুয়োটা বিধানসভা সমষ্টিৰ মুঠ ৪৫ টা গাওঁ পৰিষদ উন্নয়ন সমিতিৰ প্ৰতিটোতে আজি আৰু কাইলৈ বিশেষ সজাগতামূলক সভাৰ আয়োজন কৰা হৈছে। প্ৰশাসন আৰু নিৰ্বাচন আয়োগৰ বিষয়াসকলে এই সভাসমূহত অংশগ্ৰহণ কৰি ভোটাৰ তালিকা সংশোধন সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে।

০০০০০

লখিমপুৰ জিলা সোৱনশিৰি মহাবিদ্যালয়ৰ সভাকক্ষত আয়োজিত বিজেপিৰ ঢকুৱাখনা জিলা আৰু লখিমপুৰ জিলাৰ নিৰ্বাচনী প্ৰৱন্ধন সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। সমাগত নিৰ্বাচন সন্দৰ্ভত আলোচনা হোৱা এই বৈঠকত স্থানীয় সাংসদ প্ৰদান বৰুৱা, বিধায়কদ্বয় মানৱ ডেকা, নৱ কুমাৰ দলে, স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ভৈৰৱ দেউৰী, লখিমপুৰ জিলা পৰিষদৰ সভানেত্ৰী ছোনীয়া বৰগোহাই আদিকে ধৰি দলটোৰ কেইবাজনো জ্যেষ্ঠ বিষয়া উপস্থিত থাকে।

০০০০০

ভাৰতৰ ১৯ বছৰ অনুৰ্ধৰ ক্ৰিকেট দলে বেননীৰ উইল'মোৰ পাৰ্কত অনুষ্ঠিত চলিত তিনিখনীয়া শৃংখলাৰ প্ৰথমখন এদিনীয়াত দক্ষিণ আফ্ৰিকাক জয়ৰ বাবে ৩০১ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ৫০ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ৩০০ ৰাণ সংগ্ৰহ কৰে। ভাৰতৰ হৈ হৰবংশ পংগালিয়াই সৰ্বাধিক ৯৩ ৰাণ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই এই বাতৰি যুগুতোৱাৰ পৰলৈকে চাৰি অভাৰত এটাও উইকেট নেহেৰুওৱাকৈ ২৫ ৰাণ সংগ্ৰহ কৰি খেলি আছিল। অহা ১৫ জানুৱাৰীৰ পৰা হ'বলগীয়া আই চি চি ১৯ বছৰ অনূৰ্ধ বিশ্বকাপৰ পূৰ্বে এই শৃংখলা দুয়োটা দলৰ বাবে উপযুক্ত প্ৰস্তুতিমূলক খেল হিচাপে বিবেচিত হ'ব। বৈভৱ সূৰ্যবংশীয়ে ভাৰতীয় দলটোক নেতৃত্ব দিছে।

০০০০০

সমাপ্ত